# অসম আদিত্য

ভাদ, ১৯৪৮ শক ■ বুধবাৰ, ২৬ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Wednesday, August 26, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ


## কানৈ কলেজত ৰাষ্ট্ৰীয় নিৰাপত্তা সজাগতা প্ৰশিক্ষণ কাৰ্যসূচী

**ডিব্ৰুগড়, ২৫ আগষ্ট ঃ** ৰাষ্ট্ৰীয় সুৰক্ষা প্ৰোৎসাহন যোজনাৰ অধীনত ৬৩ আছাম বেটেলিয়ন এনচিচি, ডিব্ৰুগড় গ্ৰুপৰ উদ্যোগত আজি ডিব্ৰুগড়ৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত এক সজাগতা আৰু জৰুৰীকালীন সঁহাৰি প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন হয়। যুৱ প্ৰজন্মক ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কে সচেতন কৰা আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাৰ মানসেৰে আয়োজিত এই প্ৰশিক্ষণত মুঠ নখন শিক্ষা প্ৰতিষ্ঠানৰ এনচিচি কেডেটে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। ১২ নং এনডিআৰএফ আৰু ডিব্ৰুগড় অগ্নিনিৰ্বাপক বাহিনীৰ প্ৰত্যক্ষ সহযোগৰ জৰিয়তে কেডেটসকলক ভূমিকম্প, অগ্নিকাণ্ড আৰু বানপানীৰ দৰে জৰুৰীকালীন পৰিস্থিতিৰ মোকাবিলা কৰাৰ ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰা হয়। ইয়াৰ উপৰি, জৰুৰীকালীন চিকিৎসা আৰু প্ৰাথমিক চিকিৎসা সেৱাৰ মৌলিক কৌশলসমূহো কেডেটসকলক শিকোৱা হয়। কেডেটসকলে অত্যন্ত উৎসাহেৰে এই বাস্তৱিক প্ৰশিক্ষণ প্ৰক্ৰিয়াত অংশ লৈ বহুমূলীয় জীৱন ৰক্ষাৰ অভিজ্ঞতা অৰ্জন কৰে। উক্ত কাৰ্যসূচীত ডিব্ৰুগড়ৰ সহকাৰী আয়ুক্ত ৰিমা তৃষ্ণা হালৈ আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া



উপস্থিত থাকি কেডেটসকলৰ সৈতে মত-বিনিময় কৰে। অতিথিসকলৰ প্ৰেৰণাদায়ক ভাষণে অংশগ্ৰহণকাৰী কেডেটসকলক মানসিকভাৱে অধিক উৎসাহিত কৰি তোলে।